## একচেটিয়া ব্যৱসায়ৰ দীৰ্ঘকালীন ভাৰসমতা বা দীৰ্ঘকালত দৰ আৰু উৎপাদন নিৰ্ণয় [Long-run Equilibrium or Price : Output determination in the long-run of a monoploy firm]


একচেটিয়া ব্যৱসায়ৰ ক্ষেত্ৰত হ্ৰস্বকালীন ভাৰসমতা আৰু দীৰ্ঘকালীন ভাৰসমতাৰ ক্ষেত্ৰত বিশেষ পাৰ্থক্য নেথাকে। কাৰণ, প্ৰতিযোগিতাৰ অনুপস্থিতিৰ কাৰণে দীৰ্ঘকালতো একচেটিয়া উৎপাদন প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ উপাৰ্জন কৰি ভাৰসমতা স্থাপন কৰিব পাৰে। অৰ্থাৎ পূৰ্ণ প্ৰতিযোগিতাৰ উৎপাদন প্ৰতিষ্ঠানৰ দীৰ্ঘকালীন ভাৰসমতাৰ অৱস্থাত স্বাভাৱিক লাভৰ বিপৰীতে একচেটিয়া ব্যৱসায়ত অস্বাভাৱিক লাভ উপাৰ্জনহে দীৰ্ঘকালীন ভাৰসমতাৰ প্ৰধান বৈশিষ্ট্য। অৱশ্যে এইটো উল্লেখযোগ্য যে দীৰ্ঘকালত হ্ৰস্বকালৰ তুলনাত একচেটিয়া উৎপাদন প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত দ্ৰব্যৰ চাহিদা অনুসৰি উৎপাদৰ পৰিৱৰ্তন ঘটাবলৈ সক্ষম হয়। কাৰণ, দীৰ্ঘকালত উৎপাদন সকলো উৎপাদকেই পৰিবৰ্তনীয়। এনে অৱস্থাত যন্ত্ৰ-পাতিৰ দৰে স্থিৰ উৎপাদকবো প্ৰয়োগৰ পৰিবৰ্তন ঘটাব পাৰি। গতিকে দ্ৰব্যৰ চাহিদাৰ পৰিবৰ্তনৰ অনুপাতত উৎপাদকবোৰ প্ৰয়োগৰ পৰিবৰ্তন ঘটাই ইয়াৰ উৎপাদন আৰু যোগানৰ পৰিবৰ্তন ঘটাব পাৰি। অৰ্থাৎ চাহিদা বৃদ্ধি অনুসৰি দ্ৰব্যৰ যোগানৰ বৃদ্ধি আৰু চাহিদা হ্ৰাস হ'লে যোগান হ্ৰাস কৰাটো সম্ভৱপৰ হয়।

হ্ৰস্বকালৰ দৰে দীৰ্ঘকালতো একচেটিয়া উৎপাদন প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত দ্ৰব্যৰ দীৰ্ঘকালীন প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয়ৰ সমতাৰ ভিত্তিত দৰ আৰু উৎপাদন নিৰ্ণয় কৰে। অৰ্থাৎ ভাৰসমতাৰ দুটা প্ৰধান চৰ্ত— (১) প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয়ৰ সমতা আৰু (২) প্ৰান্তিক আয় ৰেখাক প্ৰান্তিক ব্যয় ৰেখাৰ দ্বাৰা তল দিশৰ পৰা ছেদ পূৰণ হয়। অৱশ্যে দীৰ্ঘকালত উৎপাদনৰ সকলো উৎপাদক পৰিবৰ্তনীয় হোৱাৰ কাৰণে উৎপাদন প্ৰতিষ্ঠানে দ্ৰব্যৰ চাহিদা অনুপাতে ইয়াৰ উৎপাদন হ্ৰাস-বৃদ্ধি কৰিবলৈ সক্ষম হয়। অৰ্থাৎ চাহিদা বৃদ্ধি আৰু ইয়াৰ ফলত হোৱা দৰ বৃদ্ধিৰ অৱস্থাত একচেটিয়া প্ৰতিষ্ঠানে ইয়াৰ পৰিবৰ্তনশীল উপাদান যেনে বেচাদাম আৰু শ্ৰমিকৰ লগতে যন্ত্ৰ-পাতিৰ দৰে হ্ৰস্বকালীন অপৰিবৰ্তনীয় উৎপাদকৰ প্ৰয়োগৰ পৰিমাণ বৃদ্ধি কৰি দ্ৰব্যৰ উৎপাদন আৰু যোগান বৃদ্ধি কৰিব পাৰে। অন্যহাতেদি চাহিদা হ্ৰাসৰ কাৰণে দৰ হ্ৰাস হোৱাৰ অৱস্থাত এনে উৎপাদকবোৰৰ প্ৰয়োগৰ পৰিমাণ হ্ৰাস কৰি উৎপাদন আৰু যোগানৰ পৰিমাণ হ্ৰাস কৰিব পাৰে। চাহিদাৰ পৰিবৰ্তনৰ ভিত্তিত উৎপাদকৰ পৰিমাণ পৰিবৰ্তন সম্ভৱপৰ আৰু লগতে নতুন প্ৰতিদ্বন্দ্বী প্ৰতিষ্ঠানৰ প্ৰৱেশ সম্ভৱপৰ নোহোৱাৰ কাৰণে একচেটিয়া ব্যৱসায়ীয়ে দীৰ্ঘকালতো অস্বাভাৱিক লাভ উপাৰ্জন কৰি ভাৰসমতা স্থাপন কৰিব পাৰে। অৱশ্যে যদি চাহিদা হ্ৰাস হোৱাৰ কাৰণে দৰ অস্বাভাৱিকভাৱে হ্ৰাস হয়, তেতিয়া একচেটিয়া ব্যৱসায় দৰ আৰু উৎপাদন নিৰ্ণয় স্বাভাৱিক লাভ উপাৰ্জন হোৱাৰ অৱস্থাত প্ৰতিষ্ঠা হ'ব পাৰে। কিন্তু কোনো ক্ষেত্ৰতেই লোকচান ভৰা অৱস্থাত দীৰ্ঘকালীন ভাৰসমতা প্ৰতিষ্ঠা হ'ব নোৱাৰে। কাৰণ দীৰ্ঘকালত লোকচান ভৰা উৎপাদন প্ৰতিষ্ঠানে উৎপাদন ব্যৱস্থাত বৰ্তি থাকিব নোৱাৰে। সেই কাৰণে দীৰ্ঘকালত দৰ = দীৰ্ঘকালীন গড় ব্যয়ক (P = LAC) সীমাৰ দৰ (Limit Price) আখ্যা দিয়া হয়। এইটো অৱস্থা হৈছে লাভ অথবা লোকচান এটাৰো সন্মুখীন নোহোৱা অৱস্থা আৰু এইটো অৱস্থা অতিক্ৰমী দীৰ্ঘকালত উৎপাদন প্ৰতিষ্ঠান বৰ্তি থাকিব নোৱাৰে।

১.৩ নং চিত্ৰৰ সহায়ত একচেটিয়া ব্যৱসায়ত দীৰ্ঘকালীন ভাৰসমতাৰ বিষয়টো ব্যাখ্যা কৰা হৈছে। চিত্ৰত দীৰ্ঘকালীন প্ৰান্তিক আয় (LMR) আৰু দীৰ্ঘকালীন প্ৰান্তিক ব্যয়ৰ (LMC) সমতাৰ ভিত্তিত প্ৰতিষ্ঠানখনে T বিন্দুত ভাৰসমতা স্থাপন কৰিছে। উক্ত বিন্দুত নিৰ্ধাৰিত হোৱা দৰ হৈছে OP আৰু উৎপাদক হৈছে OQ. কিন্তু যিহেতু ভাৰসমতাৰ বিন্দুত প্ৰতিষ্ঠানখনৰ গড় আয় (AR) গড় ব্যয়তকৈ (LAC) অধিক হৈ আছে। সেই কাৰণে ই ভাৰসমতাৰ অৱস্থাত PRDC পৰিমাণৰ অস্বাভাৱিক লাভ (Abnormal Profit) উপাৰ্জন কৰিছে। ইয়াৰ উপৰি এইটো উল্লেখযোগ্য যে ভাৰসমতাৰ

উৎপাদ OQত প্ৰতিষ্ঠানখনৰ গড় ব্যয় (LAC) নিম্নতম হোৱা নাই অৰ্থাৎ গড় ব্যয় নিম্নতম হোৱাৰ পূৰ্বেই ভাৰসমতা স্থাপন হৈছে, গতিকে প্ৰতিষ্ঠানখনৰ ভাৰসমতা কাম্য উৎপাদৰ পূৰ্বেই প্ৰতিষ্ঠা হৈছে। দীৰ্ঘকালতো একচেটিয়া ব্যৱসায়ত প্ৰতিযোগিতাৰ অভাৱ হোৱাৰ কাৰণে অস্বাভাৱিক লাভ উপাৰ্জন আৰু কাম্য উৎপাদনৰ পূৰ্বে ভাৰসমতা স্থাপন কৰাটো সম্ভৱপৰ হয়।

উল্লেখযোগ্য যে যি বিন্দুত একচেটিয়া ব্যৱসায়ৰ দীৰ্ঘকালীন ভাৰসমতা স্থাপন হয়, উক্ত বিন্দুত হ্ৰস্বকালীন ভাৰসমতাও স্থাপন হয়। এই বিষয়ে ১.৩ নং চিত্ৰৰ পৰা উপলব্ধি কৰিব পাৰি। চিত্ৰত হ্ৰস্বকালীন গড় ব্যয় ৰেখা (SMC) ই প্ৰতিষ্ঠানখনৰ গড় আয়ৰেখাক T বিন্দুত (য'ত দীৰ্ঘকালীন ভাৰসমতা প্ৰতিষ্ঠা হৈছে) ছেদ কৰিছে। উক্ত ভাৰসমতাৰ বিন্দুত গড় আয় ৰেখা (AR) হ্ৰস্বকালীন গড় ব্যয় ৰেখা SMCতকৈ ওপৰত থকাৰ কাৰণে দীৰ্ঘকালৰ দৰে হ্ৰস্বকালতো প্ৰতিষ্ঠানখনে অস্বাভাৱিক লাভ উপাৰ্জন কৰিছে। এই কাৰণতে একচেটিয়া ব্যৱসায়ত হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ভাৰসমতাৰ প্ৰয়োজন নাই বুলি কোৱা হয়। হ্ৰস্বকাল আৰু দীৰ্ঘকাল দুয়োটা অৱস্থাতেই প্ৰতিদ্বন্দ্বিতাৰ অভাৱৰ কাৰণে একচেটিয়া ব্যৱসায়ীয়ে অস্বাভাৱিক লাভ উপাৰ্জন কৰিবলৈ সক্ষম হয়।




চিত্ৰ নং ঃ ১.৩

অৱশ্যে এইটো উল্লেখযোগ্য যে একচেটিয়া ব্যৱসায়ত দীৰ্ঘকালত কাম্য উৎপাদনৰ অৱস্থা হ্ৰাস হ'ব। বিশেষকৈ যদি দীৰ্ঘকালত একচেটিয়া ব্যৱসায়ীৰ উৎপাদিত দ্ৰব্যৰ চাহিদা বৃদ্ধি হোৱাৰ কাৰণে উৎপাদন বৃদ্ধি হয় আৰু উৎপাদন বৃদ্ধিৰ লগে লগে উৎপাদন প্ৰতিষ্ঠানৰ পৰিসৰৰ T মিতব্যয়িতা (economics of scale) বৃদ্ধি হয়, তেতিয়া গড় ব্যয় হ্ৰাস হয় আৰু উক্ত ব্যয়ৰ নিম্নতম অৱস্থাত যদি প্ৰান্তিক ব্যয় ৰেখাই প্ৰান্তিক আয় ৰেখাৰ লগতে গড় ব্যয় ৰেখাক ছেদ কৰে তেতিয়া কাম্য উৎপাদনৰ চৰ্ত (Optimum output) পূৰণ হয় (LMC = LAC = LAR)। যদি প্ৰতিষ্ঠানখনে এইটো অৱস্থা অতিক্ৰম কৰি উৎপাদন বৃদ্ধি কৰে তেতিয়া উক্ত উৎপাদনে কাম্য উৎপাদনৰ সীমা অতিক্ৰম কৰে। এই দুয়োটা অৱস্থাত যদি প্ৰতিষ্ঠানখনৰ গড় আয় (LAR) গড় ব্যয়তকৈ (LAC) অধিক হয়, তেতিয়া ই অস্বাভাৱিক লাভ উপাৰ্জন কৰে, অৰ্থাৎ একচেটিয়া ব্যৱসায়ৰ যিকোনো পৰ্যায়তেই অস্বাভাৱিক লাভ উপাৰ্জন কৰাটো সম্ভৱপৰ হ'ব পাৰে।